NSD NEWS BULLETIN
AKASHVANI :: GUWAHATI
0000000000

**Date :** 27-05-2024
**Time :** 19-10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১।	ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে কৈছে যে, স্বাৰ্থপৰতাৰ উৰ্ধলৈ গৈ জনকল্যাণৰ উদ্যমেৰে নিৰন্তৰ কাম কৰি যোৱাটো অন্তৰ্নিহিত আধ্যাত্মিকতাৰ সমজুৱা প্ৰকাশ।

২।	আয়ুষ মন্ত্ৰালয়ে অখিল ভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠান-এ আই আই এৰ সহযোগত নতুন দিল্লীৰ এ আই আই এ চৌহদত এটা সংবেদনশীলতা কাৰ্যসূচীৰ আয়োজন কৰিছে।

৩।	দেশৰ সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে সকলো ৰাজনৈতিক দলৰ নেতা আৰু তাৰকা প্ৰচাৰকসকলে নিজ নিজ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। ***আৰু***

৪।	অহা ২ জুনত আৰম্ভ হ'বলগীয়া টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে অধিনায়ক ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় খেলুৱৈৰ প্ৰথমটো দল ইতিমধ্যে আমেৰিকা যুক্তৰাষ্ট্ৰত উপস্থিত হৈছে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে কৈছে যে, স্বাৰ্থপৰতাৰ উৰ্ধলৈ গৈ জনকল্যাণৰ উদ্যমেৰে নিৰন্তৰ কাম কৰি যোৱাটো অন্তৰ্নিহিত আধ্যাত্মিকতাৰ সমজুৱা প্ৰকাশ। নতুন দিল্লীৰ ভাৰত মণ্ডপমত ব্ৰহ্মকুমাৰীসকলৰ দ্বাৰা আয়োজিত এটা অনুষ্ঠানত আজি ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। ব্ৰহ্মকুমাৰীসকলৰ এই বছৰৰ নিৰ্ধাৰিত বিষয়বস্তু **স্বচ্ছ আৰু সবল সমাজৰ বাবে আধ্যাত্মিক সবলীকৰণ** ৰাষ্ট্ৰীয়ভাৱে উন্মোচন কৰাৰ উদ্দেশ্যে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। অনুষ্ঠানত শ্ৰীমতী মুৰ্মুয়ে কয় যে জনহিতৰ বাবে আগবঢ়োৱা নিঃস্বাৰ্থ সেৱা হৈছে - সবাতোকৈ গুৰুত্বপূৰ্ণ আধ্যাত্মিক প্ৰমূল্যসমূহৰ মাজৰেই এটা। সামগ্ৰিক কল্যাণ সুস্থ মানসিকতাৰ ওপৰতে নিৰ্ভৰশীল বুলিও তেওঁ লগতে মন্তব্য কৰে। আধ্যাত্মিক সৱলীকৰণক প্ৰকৃত সৱলীকৰণৰূপে অভিহিত কৰি শ্ৰীমতী মুৰ্মুয়ে কয় যে, আধ্যাত্মিক প্ৰমূল্যবোধে সকলো ধৰ্মৰ লোকক একতাৰ ডোলেৰে বান্ধে। তেওঁ লগতে কয় যে, বিশ্বৰ বিভিন্ন প্ৰান্তত ভয়, সন্ত্ৰাস আৰু যুদ্ধক উদগণি যোগোৱা বহুতো অশুভ শক্তিৰ উত্থান ঘটিছে আৰু এনে পৰিস্থিতিৰ মাজতো ব্ৰহ্মকুমাৰীৰ দৰে প্ৰতিষ্ঠানে এশখনৰো অধিক দেশত থকা নিজৰ কেন্দ্ৰসমূহৰ জৰিয়তে মানৱীয়তাক সবল কৰি তোলাৰ বাবে এখন অত্যন্ত প্ৰভাৱশালী মঞ্চ প্ৰদান কৰিছে।

০০০০

আয়ুষ মন্ত্ৰালয়ে অখিল ভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠান-এ আই আই এৰ সহযোগত নতুন দিল্লীৰ এ আই আই এ চৌহদত এটা সংবেদনশীলতা কাৰ্যসূচীৰ আয়োজন কৰিছে। বীমা খণ্ড আৰু আয়ুষ স্বাস্থ্য যতন প্ৰদানকাৰীসকলৰ মাজত তথ্যৰ আদান প্ৰদানৰ উদ্দেশ্যে এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। কাৰ্যসূচীত আয়ুষ চিকিৎসালয়ৰ স্বত্বাধিকাৰীসকলৰ লগতে সাধাৰণ বীমা কোম্পানীৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু মুখ্য পৰিচালন সঞ্চালকসকলে

অংশগ্ৰহণ কৰে। জনসাধাৰণৰ বাবে আয়ুষ চিকিৎসা অধিক সুলভ আৰু সহজলভ্য কৰাৰ বাবে প্ৰতিষ্ঠানসমূহৰ সহযোগিতাক উৎসাহিত কৰা এই কাৰ্যসূচীৰ অন্যতম উদ্দেশ্য। এই উপলক্ষে দিয়া ভাষণত আয়ুষ মন্ত্ৰালয়ৰ সচিব বৈদ্য ৰাজেশ কোটেশ্বাই এই কাৰ্যসূচীক আয়ুষ আৰু বীমাৰ সুবিধা সামৰি লোৱা ব্যৱস্থাৰ এটা উল্লেখনীয় দিন বুলি উল্লেখ কৰে। তেওঁ আয়ুষ খণ্ডৰ সৈতে বীমা খণ্ডক একত্ৰিত কৰাৰ বাবে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ বাবে ভাৰতৰ বীমা নিয়ামক আৰু উন্নয়ন প্ৰাধিকৰণৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে।

এই উপলক্ষে দিয়া ভাষণত আয়ুষ মন্ত্ৰালয়ৰ বীমা বিশেষজ্ঞসকলৰ মূল গোটৰ অধ্যক্ষ অধ্যাপক ব্ৰজেন কুমাৰ মিশ্ৰই কয় যে, স্বাস্থ্য সেৱাৰ সুবিধাসমূহ সুলভ, সহজলভ্য আৰু উচ্চমানসম্পন্ন কৰি গঢ়ি তোলাৰ বাবে অংশীদাৰসকল প্ৰতিশ্ৰুতিবদ্ধ। এ আই আই এৰ সঞ্চালক অধ্যাপক তনুজা নেছাৰীয়ে প্ৰতিষ্ঠানখনৰ উল্লেখনীয় যাত্ৰা তথা সাফল্যৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়।

০০০০

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কৈছে যে, আত্ম নিৰ্ভৰ ভাৰত দৃষ্টিভংগীৰ অন্যতম উদ্দেশ্য হৈছে স্থানীয় প্ৰতিভাসমূহক উদগণি যোগোৱা আৰু নিয়োগৰ সুবিধা বৃদ্ধি কৰা। এটা সংবাদ মাধ্যমৰ সৈতে হোৱা সাক্ষাৎকাৰত শ্ৰীমোদীয়ে কয় যে, প্ৰত্যক্ষ লাভ হস্তান্তৰ ব্যৱস্থাৰ জৰিয়তে ৩৮ লাখ কোটিৰো অধিক টকা জনসাধাৰণৰ একাউণ্টত হস্তান্তৰ কৰা হৈছে। ৰাজ্য প্ৰশাসনসমূহৰ তদন্তসমূহৰ ওপৰত আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে, চৰকাৰৰ লক্ষ্য শূন্য সহনশীলতা নীতিৰ ভিত্তিত আধাৰিত। তেওঁ লগতে কয় যে, চৰকাৰৰ প্ৰতিটো সিদ্ধান্তৰ কেন্দ্ৰবিন্দু হৈছে ৰাষ্ট্ৰ প্ৰথম নীতি।

০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে কৈছে যে অহা ৪ জুনত এন ডি এ–ই ৪০০ খনতকৈ অধিক আসন লাভ কৰিব আৰু নৰেন্দ্ৰ মোদী পুনৰ এবাৰ প্ৰধানমন্ত্ৰী হিচাপে তেওঁৰ স্থান অক্ষুন্ন ৰাখিব আৰু ইয়াৰ বিপৰীতে ৰাহুল গান্ধীয়ে আই এন ডি আই মিত্ৰজোটৰ পৰাজয়ৰ বাবে ই ভি এমসমূহক দোষাৰোপ কৰি সংবাদ মেল অনুষ্ঠিত কৰিব। তেওঁ কয় যে, ৪ জুনৰ ফলাফলৰ পাছত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই পৰাজয়ৰ দায়িত্ব স্বীকাৰ কৰি পদত্যাগ কৰিবলৈ বাধ্য হ'ব। উত্তৰ প্ৰদেশৰ কুশীনগৰত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত আজি এখন জনসভাক সম্বোধন কৰি শ্ৰীশ্বাহে এই বুলি মন্তব্য কৰে।

আনহাতে, উত্তৰ প্ৰদেশৰ মাউত এখন জনসভাত ভাষণ দি মুখ্যমন্ত্ৰী তথা বিজেপিৰ নেতা যোগী আদিত্য নাথে কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত জনসাধাৰণে এখন বিকশিত ভাৰত প্ৰত্যক্ষ কৰিছে। ২০১৪ চনৰ পূৰ্বৰ ভাৰত আৰু ২০২৪ চনৰ ভাৰতৰ মাজত বিশাল পাৰ্থক্য দেখিবলৈ পোৱা গৈছে বুলিও তেওঁ লগতে উল্লেখ কৰে।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি বাৰাণসীত উপস্থিত হৈ কালভৈৰৱ মন্দিৰত পূজা অৰ্চনা আগবঢ়ায়। শ্ৰীনাড্ডাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপি ক্ষমতাত থকালৈকে ধৰ্মৰ ভিত্তিত সংৰক্ষণ ব্যৱস্থাৰ ৰূপায়ণৰ বাবে অনুমতি দিয়া নহ'ব।

০০০০

বিহাৰত এন ডি এ নেতা মহামিত্ৰজোট আৰু অন্যান্য ৰাজনৈতিক দলৰ নেতাসকলে নিৰ্বাচন হ'বলগীয়া ৰাজ্যখনৰ ৮ টা সংসদীয় সমষ্টিত নিজ নিজ দলৰ প্ৰাৰ্থীৰ হকে প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। এই সমষ্টিকেইটাত অহা পহিলা জুনত লোকসভা নিৰ্বাচনৰ সপ্তম পৰ্যায়ত ভোটগ্ৰহণ কৰা হ'ব।

কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধীয়ে আজি খুছৰুপুৰত পাটনাশ্বাহিব সমষ্টিত এখন জনসভাক সম্বোধন কৰি কয় যে, এন ডি এ চৰকাৰে প্ৰতিবছৰে ২ কোটি যুৱক-যুৱতীক নিয়োগৰ সুবিধা প্ৰদানত ব্যৰ্থ হৈছে। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ তেওঁৰ চৰকাৰৰ প্ৰতিবেদনত এই বিষয়টো সন্দৰ্ভত উত্তৰ দিয়া উচিত। কংগ্ৰেছৰ নেতাগৰাকীয়ে কয় যে, বিমুদ্ৰাকৰণ আৰু সামগ্ৰী আৰু সেৱা কৰৰ প্ৰৱৰ্তনে চৰকাৰী তথা ব্যক্তিগত খণ্ডৰ লগতে ভাৰতীয় সেনা বাহিনীত নিয়োগৰ সুবিধা বন্ধ কৰিছে।

আৰ জে ডিৰ নেতা তেজশ্বী প্ৰসাদ যাদৱে আজি ঘোষিত জাহানাবাদ সংসদীয় সমষ্টিৰ দলীয় প্ৰাৰ্থীৰ হৈ এখন জনসভাত অংশগ্ৰহণ কৰে। সভাত ভাষণ দি শ্ৰীযাদৱে এইবুলি অভিযোগ কৰে যে, বিজেপিয়ে সংৰক্ষণ আৰু সংবিধানৰ পৰিসমাপ্তি ঘটাব বিচাৰিছে। শ্ৰীযাদৱে লোকসভা নিৰ্বাচন হৈছে গণতন্ত্ৰ ৰক্ষা কৰাৰ হকে ৰাজনৈতিক যুঁজ।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মধ্য প্ৰদেশৰ মুখ্যমন্ত্ৰী ড০ মোহন যাদৱে আজি পাটনাৰ মনেৰত পাতলীপুত্ৰ সংসদীয় সমষ্টিৰ বিজেপি প্ৰাৰ্থীৰ হৈ এখন জনসভাত ভাগ লয়। অন্যান্য দলৰ নেতা তথা তাৰকা প্ৰচাৰকসকলেও ভোটদাতা ৰাইজৰ মন আকৰ্ষণৰ বাবে আপ্ৰাণ চেষ্টা চলাই থকা পৰিলক্ষিত হৈছে।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিয়া অনুসৰি ঘূৰ্ণিবতাহ ৰেমাল ক্ৰমান্বয়ে উত্তৰ-উত্তৰ পূৱ দিশলৈ গতিমান হৈছে আৰু আজি নিশাৰ ভিতৰতে ই ক্ৰমান্বয়ে দুৰ্বল হৈ গভীৰ চাপলৈ পৰিৱৰ্তিত হ'ব। আনহাতে, কেইবাদিনীয়া উৎকট গৰমৰ পাছত ৰেমাল ঘূৰ্ণী বতাহৰ প্ৰভাৱত ৰাজ্যৰ বিভিন্ন প্ৰান্তত ধুমুহা-বৰষুণ আৰম্ভ হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ মাজৰ ফেৰী সেৱা আজি বন্ধ ৰখা হৈছে। অভ্যন্তৰীণ জল পৰিবহণ বিভাগে জাৰি কৰা নিৰ্দেশনা অনুসৰি কাইলৈও এই সেৱা বন্ধ থাকিব।

০০০০

অহা ২ জুনত আৰম্ভ হ'বলগীয়া টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ বাবে অধিনায়ক ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় খেলুৱৈৰ প্ৰথমটো দল ইতিমধ্যে আমেৰিকা যুক্তৰাষ্ট্ৰত উপস্থিত হৈছে। দলটোত ৰোহিত শৰ্মাৰ উপৰি যশপ্ৰীত বুমৰাহ, সূৰ্য কুমাৰ যাদৱ, ৰবীন্দ্ৰ জাদেজা, শিৱম ডুবে, মহম্মদ ছিৰাজ, অৰ্শদীপ সিং, খলিল আহমেদ, কুলদীপ যাদৱ, অক্ষৰ পেটেল, মুখ্য প্ৰশিক্ষক ৰাহুল দ্ৰাবিড় আৰু বেটিং প্ৰশিক্ষণ বিক্ৰম ৰাথোড় আছে। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ৱেষ্ট ইণ্ডিজে ২ জুনৰ পৰা ২৯ জুনলৈ যুটীয়াভাৱে টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভাৰতে নিউয়ৰ্কৰ নৱনিৰ্মিত নাছাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ৫ জুনত আয়াৰলেণ্ডৰ বিৰুদ্ধে হ'বলগীয়া খেলেৰে প্ৰতিযোগিতাত অভিযান আৰম্ভ কৰিব। ইয়াৰ উপৰি গ্ৰুপ পৰ্যায়ত ভাৰত ৯ জুনত পাকিস্তানৰ, ১২ জুনত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ১৫ জুনত কানাডাৰ সন্মুখীন হ'ব। উল্লেখযোগ্য যে মূল প্ৰতিযোগিতাৰ পূৰ্বে আজিৰে পৰা বিভিন্ন দলৰ মাজত প্ৰস্তুতি খেলসমূহ অনুষ্ঠিত হ'ব। ভাৰতে ১ জুনত বাংলাদেশৰ বিৰুদ্ধে প্ৰস্তুতি খেলত অৱতীৰ্ণ হ'ব।

০০০০

বেলজিয়ামৰ এণ্টৱাৰ্পত চলি থকা এফ আই এইচ হকী প্ৰ' লীগত ইউৰোপীয়ান লীগৰ চতুৰ্থখন খেলত হৰমনপ্ৰীত সিঙৰ হেট্ৰিক গ'লৰ সহায়ত ভাৰতে আৰ্জেণ্টিনাক ৫-৪ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ভাৰতৰ হৈ খেলৰ ৭ মিনিটত অৰিজিত সিং হুণ্ডালে প্ৰথমটো গ'ল দিয়াৰ বিপৰীতে ১৮ মিনিটত গুৰবাণ্ট সিঙে দ্বিতীয়টো গ'ল

দিয়ে। আনহাতে, হৰমনপ্ৰীত সিঙে খেলৰ ২৯, ৫০ আৰু ৫২ মিনিটত তিনিটা গ'ল দিয়াত ভাৰতীয় দলটোৱে বিজয় সাব্যস্ত কৰে। ভাৰতে অহা ১ জুনত অনুষ্ঠিত হ'বলগীয়া পৰৱৰ্ত্তী খেলখনত জাৰ্মানীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

**ঃঃ সমাপ্ত ঃঃ**